# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৮৩/২০২০**

## মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰিলে 'জল জীৱন অভিযান'ৰ কাম-কাজ

**দিছপুৰ, ২১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলী জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ভাৰত চৰকাৰৰ অভিলাষী আঁচনি 'জলজীৱন অভিযান'ৰ কাম-কাজৰ পৰ্যালোচনা কৰে। বৈঠকত মাজুলী, লখিমপুৰ, ধেমাজি আৰু যোৰহাট জিলাত জলজীৱন অভিযানৰ ৰূপায়ণৰ অগ্ৰগতিৰ বিভিন্ন দিশ সম্পৰ্কত বিতংভাৱে পৰ্যালোচনা কৰা হয়।

উল্লেখযোগ্য যে ২০২৪ চনৰ ভিতৰত দেশৰ প্ৰতিঘৰ পৰিয়াললৈ পানী যোগানৰ লক্ষ্য আগত ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত বৰ্ষত শুভাৰম্ভ কৰা এই অভিযানৰ জৰিয়তে ২০২০-২১ বৰ্ষত ৰাজ্যখনৰ ৯ হাজাৰ খন গাঁৱৰ ১ কোটি লোকক বিশুদ্ধ খোৱাপানী যোগানৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই অভিযানৰ অধীনত চলিত বছৰৰ ভিতৰত অগ্ৰাধিকাৰৰ ভিত্তিত ধেমাজি জিলাৰ ৪৪৭ খন গাওঁ, লখিমপুৰ জিলাৰ ৪০৪ খন, যোৰহাট জিলাৰ ২০৫ খন আৰু মাজুলী জিলাৰ ৬৮ খন গাঁৱক সামৰি লোৱাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লগতে গাওঁ পঞ্চায়ত সমূহতো কৰ্ম পৰিকল্পনা যুগুতাই উলিওৱা হৈছে।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত জলজীৱন অভিযানৰ ইপ্সিত লক্ষ্যত উপনীত হোৱাৰ বাবে দিনে-নিশাই কাম কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়ববীয়া সকলক নিৰ্দেশ দিয়ে। জিলা জল আৰু অনাময় অভিযানৰ মূৰব্বী হিচাপে উপায়ুক্ত সকলক অধিক কৰ্ম তৎপৰ হ'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে স্থানীয় নিবনুৱা যুৱক-যুৱতীসকলৰো সহায় ল'বলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে এই অভিযানৰ অধীনত পৰৱৰ্তী চাৰিটা বছৰত অসমত ২৫ হাজাৰ কোটিৰো অধিক ধন ব্যয় কৰা হ'ব। ইয়াৰ জৰিয়তে প্ৰায় ৫০ হাজাৰ যুৱক-যুৱতীক উপযুক্ত কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰি কামত নিয়োগ কৰিব পৰা যাব। মুখ্যমন্ত্ৰী গৰাকীয়ে এই কাৰ্যত নিয়োজিত ঠিকাদাৰ সকলকো দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই জিলা কেইখনৰ পানীত ঠাই বিশেষে আৰ্চেনিক আৰু আইৰনৰ আধিক্যৰ দিশটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে পানী পৰিশোধনৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিবলৈ বিভাগীয় অভিযন্তা সকলক নিৰ্দেশ দিয়ে। প্ৰতি ঘৰলৈ নলীযোগে পানী যোগানৰ লক্ষ্য আগত ৰাখি হাতত লোৱা এই অভিযানক অধিক ফলপ্ৰসূ কৰিবৰ বাবে ৰাইজৰ মাজত প্ৰয়োজনীয় সজাগতা সৃষ্টিৰ দিশটোৰ প্ৰতি গুৰুত্ব দিবলৈ তেওঁ জিলা উপায়ুক্ত সকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী গৰাকীয়ে লগতে পানী ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী হোৱাটো সুনিশ্চিত কৰাৰ বাবে হিতাধিকাৰীসকলৰ ঘৰত ব্যক্তিগত মিটাৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈও সংশ্লিষ্ট বিষয়ববীয়া সকলক নিৰ্দেশ দিয়ে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

এই মাণ্ডলিক পৰ্যালোচনা বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰী, লখিমপুৰ আৰু যোৰহাট লোকসভা সমষ্টিৰ সাংসদদ্বয় প্ৰদান বৰুৱা আৰু তপন কুমাৰ গগৈ, বিহপুৰীয়া সমষ্টিৰ বিধায়ক দেৱানন্দ হাজৰিকা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আয়ুক্ত সিদ্ধাৰ্থ সিং, মাজুলী, লখিমপুৰ আৰু ধেমাজি জিলাৰ উপায়ুক্তত্ৰয় ক্ৰমে বিক্ৰম কৈৰী, ডাঃ জীৱন বি আৰু নৰসিং পাৱাৰ, যোৰহাটৰ জিলা উন্নয়ন আয়ুক্ত অধৰ ভূঞা উপস্থিত থাকে। বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুখ্য অভিযন্তা নাৰায়ণ প্ৰসাদ দাসৰ লগতে জিলা কেইখনত কৰ্মৰত বিভাগটোৰ কাৰ্যবাহী অভিযন্তাসকল তথা আন আন জ্যেষ্ঠ বিষয়া বৰ্গইও অংশ গ্ৰহণ কৰে।

**প্ৰঃবঃ**
**২১/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in